**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইৰাণৰ ৰাষ্ট্ৰপতি ড০ মছুদ পেজেছকিয়ানৰ সৈতে বাৰ্তালাপ কৰি ঈদ আৰু নভৰোজৰ শুভেচ্ছা জ্ঞাপন কৰে।

২। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দক্ষ কৰ্মশক্তিক সৱল কৰি ভাৰতে কেৱল নিজৰ অৰ্থনৈতিক ভৱিষ্যত গঢ়ি তোলাই নহয়, সমগ্ৰ বিশ্বলৈও অৰিহণা যোগাইছে বুলি মত প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ বাবে আৰু ২০ শতাংশ বাণিজ্যিক এল পি জিৰ আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৪। ইম্ফলৰ তত্তাপলিচ চিনেমা লেমফেলত আজিৰে পৰা তৃতীয় উত্তৰ-পূৰ ভাৰত চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হৈছে। ***আৰু***

৫। ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত অসমৰ ঈষাৰাণী বৰুৱা অৱতীৰ্ণ হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইৰাণৰ ৰাষ্ট্ৰপতি ড০ মছুদ পেজেছকিয়ানৰ সৈতে বাৰ্তালাপ কৰি ঈদ আৰু নভৰোজৰ শুভেচ্ছা জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই এই উৎসৱৰ বতৰে পশ্চিম এছিয়ালৈ শান্তি, সমৃদ্ধি আৰু সুস্থিৰতা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে অঞ্চলটোত হোৱা আক্ৰমণৰ গৰিহনা দিয়ে। এই আক্ৰমণে আঞ্চলিক সুস্থিৰতাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে আৰু বিশ্বৰ যোগান শৃংখলত ব্যাঘাত জন্মাইছে বুলিও তেওঁ কয়। তেওঁ জলপথৰ স্বাধীনতা সুৰক্ষিত হৈ থকাটো নিশ্চিত কৰাৰ গুৰুত্বক দোহাৰে। শ্ৰীমোদীয়ে ইৰাণত ভাৰতীয় নাগৰিকৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে দেশখনৰ অবিৰত সমৰ্থনৰ শলাগ লয়।

০০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে দক্ষ কৰ্মশক্তিক সৱল কৰি ভাৰতে কেৱল নিজৰ অৰ্থনৈতিক ভৱিষ্যত গঢ়ি তোলাই নহয়, সমগ্ৰ বিশ্বলৈও অৰিহণা যোগাইছে। মুম্বাইত অনুষ্ঠিত ৰতন টাটা মহাৰাষ্ট্ৰ ৰাজ্যিক দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তন অনুষ্ঠানত ভাষণ দি তেওঁ এই অনুষ্ঠানক ভাৰতৰ দক্ষ মানৱ সম্পদৰ বিশ্বব্যাপি কেন্দ্ৰ হোৱাৰ বাবে এক মাইলৰ খুঁটি বুলি অভিহিত কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰ নিৰ্মাণ আৰু বিকশিত ভাৰত ২০৪৭ ৰ দৃষ্টিভংগীক অৰিহণা যোগাবলৈ আহ্বান জনায়। উপৰাষ্ট্ৰপতিগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে উদীয়মান প্ৰযুক্তিৰ ন-ন তথ্যৰ বিষয়ে অৱগত হৈ থাকিবলৈ পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে উপৰাষ্ট্ৰপতি হিচাপে

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীৰাধাকৃষ্ণণৰ হৈছে প্ৰথমবাৰ মহাৰাষ্ট্ৰ ভ্ৰমণ। ৰাজ্যপাল জিষ্ণু দেৱবাৰ্মা, মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবিচ আৰু উপ মুখ্যমন্ত্ৰী সুনেত্ৰা পাৱাৰেও এই অনুষ্ঠানত ভাষণ দিয়ে। উপৰাষ্ট্ৰপতিগৰাকীয়ে এই অনুষ্ঠানতে মেধাৱী শিক্ষাৰ্থীসকলক সোণৰ পদক প্ৰদান কৰে আৰু ৩ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক সম্বৰ্ধনা জনায়।

ooooo

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ বাবে বাণিজ্যিক এল পি জিৰ আৰু ২০ শতাংশ আৱণ্টনত অনুমোদন জনাইছে। ই পি এম জি সম্প্ৰসাৰণৰ বাবে সহজলভ্য সংস্কাৰৰ ভিত্তিত ১০ শতাংশ আৱণ্টনকে ধৰি সামগ্ৰিকভাৱে ৫০ শতাংশলৈ বৃদ্ধি কৰিলে। এই অতিৰিক্ত আৱণ্টন ৰেষ্টোৰেণ্ট, ধাবা, হোটেল, ঔদ্যোগিক কেণ্টিন, দুগ্ধ, ৰাজসাহায্যযুক্ত কেণ্টিন আৰু ৰাজ্যিক বা স্থানীয় সংস্থাৰ দ্বাৰা পৰিচালিত অন্যান্য খণ্ডক অগ্ৰাধিকাৰ দিয়া হ'ব। চৰকাৰে পেট্ৰল, ডিজেল আৰু এল পি জিৰ অভাৱ নহয় বুলি নাগৰিকক আশ্বাস দিছে। এটা বিবৃতিযোগে পেট্ৰলিয়াম আৰু গেছ মন্ত্ৰালয়ে কয় যে শোধানাগাৰসমূহত ঘৰুৱা এল পি জিৰ উৎপাদন বৃদ্ধি কৰা হৈছে। মন্ত্ৰালয়ে লগতে জনাই যে এল পি জি জমা আৰু ক'লা বিপনন পৰীক্ষাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত অভিযান অব্যাহত আছে। ইফালে বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ে জনাইছে যে তেওঁলোকে জাহাজৰ গতিবিধি, বন্দৰৰ কাম-কাজ, ভাৰতীয় নাগৰিকৰ সুৰক্ষা তথা সামুদ্ৰিক বাণিজ্যৰ ধাৰাবাহিকতা তীক্ষ্ণভাৱে নিৰীক্ষণ কৰি আছে। ইতিমধ্যে ৫০০ ৰো অধিক ভাৰতীয় নাগৰিকক নিৰাপদে ঘুৰাই অনা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে পশ্চিম এছিয়াত বসবাস কৰা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে চৰকাৰে অহৰহ কাম কৰি আছে। নাগৰিকসকলক ভ্ৰমণ, সুৰক্ষা আৰু জৰুৰীকালীন সহায় আগবঢ়াই থকা হৈছে বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে।

ooooo

সমগ্ৰ দেশতে আজি উলহ-মালহেৰে ঈদ-উল-ফিটৰ পালন কৰা হৈছে। ঈদ উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত  নামাজৰ আয়োজন কৰা হয়। দিল্লীৰ জামা মছজিদ, ফতেহপুৰ মছজিদ আৰু শ্বাহী ঈদগাহত ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হয়।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে দেশবাসীক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এটা বাৰ্তাত কয়, যে এই উৎসৱে আত্মসংযম, দান আৰু দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ প্ৰতি কৰুণাৰ বাৰ্তা বহন কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত এই পৱিত্ৰ উৎসৱে সকলোৰে বাবে আশা, সমন্বয়, কৰুণা, আনন্দ আৰু সফলতাৰ বতৰা কঢ়িয়াই আনিব বুলি আশা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ বাৰ্তাত এই উৎসৱে সমাজত কৰুণা আৰু ভাতৃত্ববোধৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

ইম্ফলৰ তত্তাপলিচ চিনেমা লেমফেলত আজিৰে পৰা তৃতীয় উত্তৰ-পূৱ ভাৰত চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হৈছে। দুদিনীয়াকৈ অনুষ্ঠিত হোৱা চলচ্চিত্ৰ মহোৎসৱত ৪ খন মণিপুৰী, ৪ খন অসমীয়া আৰু এখন খাছী ভাষাৰ

ছবিকে ধৰি সমগ্ৰ উত্তৰ-পূৰ অঞ্চলৰ ৯ খন ছবি প্ৰদৰ্শন কৰা হব। উল্লেখযোগ্য যে তৃতীয় এন ই আই এফ ২০২৬ মণিপুৰৰ লক্ষ্য হৈছে সজীৱ আৰু সৰ্বাঙ্গীন চলচ্চিত্ৰ উদ্যোগৰ বৃদ্ধিৰ লগতে চিনেমাক কলা হিচাপে অধ্যয়ন কৰা।

ooooo

ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ডাঃ মানিক সাহাই ৰাজ্যখনত শীঘ্ৰেই এখন স্বাস্থ্য বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব বুলি ঘোষণা কৰিছে। বিশ্ব মুখগহ্বৰ স্বাস্থ্য দিৱস উপলক্ষে আগৰতলাৰ প্ৰজ্ঞা ভৱনত দন্ত চিকিৎসক, নাৰ্চিং বিষয়া আৰু সামুহিক স্বাস্থ্য বিষয়াৰ প্ৰশিক্ষণৰ কৰ্মশালা উদ্বোধন কৰি তেওঁ এইকথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে স্বাস্থ্য সেৱা ব্যৱস্থাক শক্তিশালী কৰাৰ বাবে এক বিস্তৃত কাৰ্য পৰিকল্পনাৰে কাম কৰি আছে, যাতে জনসাধাৰণে চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰলৈ যোৱাৰ প্ৰয়োজন নহয়। দক্ষতা বিকাশৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি ডাঃ সাহাই উল্লেখ কৰে যে ৰাজ্য চৰকাৰে বিভিন্ন খণ্ডত প্ৰশিক্ষণ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ সৈতে কাম কৰি আছে। **নতুন ত্ৰিপুৰা** গঢ়ি তোলাৰ বাবে সামুহিক প্ৰচেষ্টা অতি প্ৰয়োজন বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ooooo

কেৰালামত আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ ১১ জনীয়া তৃতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে কেৰালামত আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে ১১ জনীয়া তৃতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। এই তালিকাত কোৱালামৰ সমষ্টিৰ বাবে টি এন সুৰেশ, পেৰুমাড়ু সমষ্টিৰ বাবে ভি ৰথিশ, মাভেলিক্কাৰা সমষ্টিৰ বাবে অজিমন, অৰুৰিক্কাৰা আসনৰ বাবে বিবেক গোপান আৰু গভাৰা আসনৰ পৰা কে আৰ ৰাজেশৰ নাম প্ৰক্ষেপ কৰা হৈছে। উল্লেখযোগ্য যে ১৪০ খন আসনৰ বাবে ৯ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ মে'ত ভোটগণনা হ'ব।

ooooo

কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে দেশৰ উন্নয়নৰ বাবে অৰ্থনীতি আৰু পৰিবেশ বিজ্ঞানৰ মাজত সুষম দৃষ্টিভংগীৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আন্তঃৰাষ্ট্ৰীয় বন দিৱস উপলক্ষে আজি ডেৰাডুনত অনুষ্ঠিত দুদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাৰ উদ্বোধনী অধিবেশনত ভাষণ দি তেওঁ এই ভাৰসাম্য অৰ্জন কৰিবলৈ বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰয়োজন বুলি মন্তব্য কৰে। ভাষণত মন্ত্ৰীগৰাকীয়ে প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতৰ দায়বদ্ধতা আৰু সাফল্যৰ ওপৰত আলোকপাত কৰে। তেওঁ সংৰক্ষণৰ প্ৰচেষ্টাত **প্ৰকৃতি - প্ৰথম** পদ্ধতি গ্ৰহণ কৰাৰ  প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে প্ৰকৃতিৰ সৈতে সুষম সহাৱস্থান আকোৱালি ল'লেহে পৃথিৱীখন বসবাস যোগ্য হৈ থাকিব পাৰে। এটা টুইটবাৰ্তাত মন্ত্ৰীগৰাকীয়ে লগতে ২০১৪ চনৰ তুলনাত দেশৰ বনাঞ্চল ১৩ হাজাৰ ৬৬৯ বৰ্গকিলোমিটাৰ বৃদ্ধি পাইছে বুলি প্ৰকাশ কৰে।

ooooo

ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ এখন ছেমি ফাইনেলত আজি অসমৰ ঈষাৰাণী বৰুৱাই থাইলেণ্ডৰ পিটচামন অপাটনিপুথৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ঈষাৰাণীয়ে কোৱাৰ্টাৰ ফাইনেলত মালৱিকা বানছুড়ক ২১-৯, ১৫-৭ গেমত পৰাস্ত কৰি চেমি ফাইনেলত স্থান নিশ্চিত কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ